
জাতিৰ সেৱাত উৎসাগিত (৬০)

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

সংখ্যা, ২৬ আঘোণ, বৃহস্পতিবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 127 । DIBRUGARH, THURSDAY, DECEMBER 12, 2024 । পৃষ্ঠা ১৪ (Pa

## কামৰূপ জিলা ছাত্ৰ সন্থাৰ



ওচৰেৰে কেইবাটাও ইটা ভাতালৈ সামগ্ৰী লৈ যাবলৈ এটা ৰাস্তা নিৰ্মাণৰ অভিসন্ধি ৰচিছিল। এই উদ্ভট কাণ্ড প্ৰত্যক্ষ কৰি জামতোলাবাসী ৰাইজ আজি ওলাই আহে আৰু প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজে কোনোপধ্যেই ঐতিহাসিক গড়টো কাটি ৰাস্তা নিৰ্মাণ কৰিবলৈ দিয়া নহ'ব বুলি কঠোৰ স্থিতি গ্ৰহণ কৰাত দুৰ্বৃত্তৰ দলটোৰ থৰকাছুটি হেৰাই আৰু এক্সকেভেটৰ এৰি পলায়ন কৰে। ঘটনাস্থলীত পাছত মধ্যপাণ্ডুৰী ছাত্ৰ সন্থাৰ ১১ পৃষ্ঠাত চাওক

## শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ আলোচনা



জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১১ ডিচেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ নৱনিযুক্ত পঞ্জীয়ক, পৰীক্ষা নিয়ন্ত্ৰকৰ মাজত আজি এক সৌহাৰ্দ্যমূলক আলোচনা অনুষ্ঠিত হয়। নৱনিযুক্ত দুয়োগৰাকী ১১ পৃষ্ঠাত চাওক

## বনানী, বনশ্ৰী,

নিজা বাতৰি দিওঁতা

**কাজিৰঙা, ১১ ডিচেম্বৰ ঃ** কাজিৰঙাত অসম পৰ্যটন বিভাগৰ ঐতিহ্যত কুঠাৰাঘাত কৰি কাজিৰঙাৰ প্ৰথমটো ঐতিহ্যপূৰ্ণ চৰকাৰী অতিথিশালা বনানী পৰ্যটন নিৱাস লীজত দিবলৈ প্ৰক্ৰিয়া আগবঢ়াইছে অসম পৰ্যটন উন্নয়ন নিগমে। পৰ্যটন নিগমৰ অতিৰিক্ত মহাপ্ৰবন্ধক স্বাক্ষৰিত এক জাননীত উল্লেখ কৰা অনুসৰি, বনানী পৰ্যটন নিৱাসৰ লগতে পৰ্যটন বিভাগৰে আন দুটা অতিথিশালা বনশ্ৰী, কুঞ্জবন, পৰ্যটন নিগমৰ অধীনৰ প্ৰশান্তিকে ধৰি মুঠ পাঁচটা চৰকাৰী সম্পত্তি ব্যক্তিগত খণ্ডক গতাই দিবৰ বাবে নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ৬ পৃষ্ঠাত চাওক

জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

সংখ্যা, ২৬ আঘোণ, বৃহস্পতিবাৰ, ১৯৪৬ শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 127 । DIBRUGARH, THURSDAY, DECEMBER 12, 2024 । পৃষ্ঠা ১৪ (Pag

...ৰ্য চলাই থকাৰ
...বিষয়া হিমাদ্ৰী
...অধিকাৰী নীৰৱ
...স্বাভাৱিকতেই
...ফাৰ্মছ প্ৰাইভেট
...ফাৰ্ম খোলাৰ

সংগঠনটোৱে পৃথকে পৃথকে জিলা কৃষি বিভাগ আৰু বন বিভাগকো এইক্ষেত্ৰত প্ৰয়োজন হোৱা বিভাগীয় অনুমতি প্ৰদান বন্ধ ৰাখিবৰ বাবেও আবেদন দাখিল কৰিছে। এনে প্ৰেক্ষাপটত এতিয়া ৰাজ্য চৰকাৰৰ ভূমিনীতি অনুসৰি জিলা আয়ুক্ত তথা কৃষি আৰু বনবিভাগে এইক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে, সেয়া লক্ষণীয় হৈ পৰিছে।

## ...ল থাকিলেও সমাজ নিৰ্মাণত

...হোৎসৱৰ মুখ্য
...ণ্য ব্যাখ্যা কৰা
...পতি নিপামণি
...চ্চতৰ মাধ্যমিক
...বাৰ্ষিক পহুমাৰা
...উপস্থিত থাকি
...ঞ্চত সমৱেত
...কিলেও গ্ৰামীণ
...ইয়াৰ স্থানীয়
...ৰ এনাজৰীডাল
...। নহ'লে এনে
...ৰ্থই নাথাকিব।
...ৰু অভিনেত্ৰী
...ৰাকী বিশিষ্ট
...ৰ্ব ভৱানীপুৰ
...কৰণ কাৰ্যসূচী
...অনুষ্ঠিত হয়
...সৱৰ সপ্তম
...খন পতাকা

উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি বিজন বায়নে। ইয়াৰ পাছতেই আন ছখন পতাকা উত্তোলন কৰে ক্ৰমে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি নিপামণি কলিতা, মহোৎসৱৰ প্ৰাক্তন সভাপতি পুলকানন্দ তালুকদাৰ, অমিতাভ চৌধুৰী, বজালী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ত্ৰিনয়ন ভূঞা, ব্যৱসায়ী কৌশিক দাস আৰু লেখক, সাংবাদিক প্ৰশান্ত কুমাৰ দাসে। দিনৰ ১১-৩০ বজাত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে অভিনেত্ৰী আশা বৰদলৈয়ে। উদ্বোধনী ভাষণত অভিনেত্ৰীগৰাকীয়ে 'সাংস্কৃতিকভাৱে জাতি এটাক একত্ৰিত কৰি উন্নয়নৰ গতি ত্বৰান্বিত কৰাটো সম্ভৱপৰ' বুলি মন্তব্য কৰে। উল্লেখ্য যে সপ্তম পহুমাৰা মহোৎসৱৰ প্ৰথম দিনৰ কাৰ্যসূচীত 'সাংবাদিক হওক ৰাইজৰ কণ্ঠ', বাণিজ্য মেলাৰ দ্বাৰ মুকলি, বৰেণ্য ব্যক্তিৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, গ্ৰন্থ মেলাৰ দ্বাৰ মুকলি, মুখপত্ৰ 'পহুমাৰা' উন্মোচন, সৌন্দৰ্য প্ৰতিযোগিতা, সাংস্কৃতিক সমাৰোহ আদি অনুষ্ঠিত হয়।

## কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰে

বিষয়াই মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। মহাবিদ্যালয়খনে বিশ্ববিদ্যালয়খনৰ পাঠদান আৰম্ভ কৰিবলৈ শ্ৰেণীকোঠাকে ধৰি অন্যান্য আন্তঃগাঁথনিৰ সুবিধা কৰি দিয়াৰ বাবে কৃতজ্ঞ হৈ বিশ্ববিদ্যালয়খনৰ নৱনিযুক্ত পঞ্জীয়ক পংকজ বৰঠাকুৰে অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াক সম্বৰ্দ্ধনা জনায়। পঞ্জীয়কগৰাকীৰ লগত সহযোগিতা আগবঢ়ায় বিশ্ববিদ্যালয়খনৰ নৱনিযুক্ত পৰীক্ষা নিয়ন্ত্ৰক অৰিণজিৎ হাজৰিকাই। উল্লেখ্য যে শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ পাঠদান আৰম্ভ কৰাৰ ক্ষেত্ৰত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অভূতপূৰ্ব অৱদান আছে। বিশ্ববিদ্যালয়খন অসম বিধানসভাত অনুমোদন হোৱা অনুসৰি ২০১৮ চনৰ ১০ ডিচেম্বৰৰ পৰা কাৰ্যকৰী হয়। সেই অনুসৰি বিশ্ববিদ্যালয়খনৰ স্থায়ী গৃহৰ অভাৱত তদানীন্তন ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াৰ সৈতে ২০২৩ চনৰ ৯ জুনত ডিব্ৰুগড়ৰ মোহনবাৰী বিমানঘাটীত এক আলোচনা মৰ্মে সেইদিনাই মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। পৰৱৰ্তী সময়ত অধ্যক্ষগৰাকীৰ সৈতে ২০২৩ চনৰ ২০ জুনত ৰাজভৱনত আলোচনাত মিলিত হয়। পৰিচালনা সমিতিৰ পৰামৰ্শ অনুসৰি বিশ্ববিদ্যালয়খনৰ পাঠদান আৰম্ভ কৰিব পৰাকৈ মহাবিদ্যালয়খনৰ কেইটামান শ্ৰেণীকোঠা অৰ্পণ কৰা হয়। বিশ্ববিদ্যালয়খনক আগুৱাই নিয়াৰ ক্ষেত্ৰত কানৈ মহাবিদ্যালয় পৰিয়ালে যিদৰে সহায়-সহযোগিতা আগবঢ়াই আহিছে, তাৰ বাবে পঞ্জীয়কগৰাকীয়ে আজি অনুষ্ঠিত সভাত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে বিশ্ববিদ্যালয়খনৰ সৈতে মহাবিদ্যালয়খনৰ ২০২৩ চনৰ ৩০ জানুৱাৰীত এক বুজাবুজি চুক্তিও স্বাক্ষৰিত হৈছিল। আজি অনুষ্ঠিত আলোচনা সভাত বিশ্ববিদ্যালয়খনৰ তৰফৰপৰা পৰ্যায়ক্ৰমে মহাবিদ্যালয়খনক সহায় কৰি যাব বুলি অৱগত কৰে। সভাত মহাবিদ্যালয়ৰ উপাধ্যক্ষকে প্ৰমুখ্য কৰি অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

ৰাইজে চাইকেল, মটৰ চাইকেল, সৰু চাৰিচকীয়া বাহন আদি চলাই কোনোমতে অহা-যোৱা কৰি আহিছিল। কিন্তু ২০২২ চনৰ জুন মাহত গাভৰু নৈৰ বাঢ়নী পানীয়ে প্ৰথমতে ভেলোৱাটাৰ গাঁৱত থকা মথাউৰিটো ভাঙি পেলোৱাৰ পাছতে শিয়ালমাৰী গাঁওখনলৈ যোৱা পথছোৱাৰ দুঠাইত মাটি খহাই নিয়ে। তাৰ পাছৰেপৰা ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে পথটোৰে অহা-যোৱা কৰাত চৰম দুৰ্ভোগ ভুগি আহিছে। অতি পৰিতাপৰ বিষয় যে বানে বিধ্বস্ত কৰা গাঁওখনৰ পথটো পূৰ্বৰ বাঁহবেৰা গাঁও পঞ্চায়তখনে মেৰামতি কৰিবলৈ আহৰিকে নাপালে। এয়া হৈছে পৰিৱৰ্তনকামী ৰাজ্য চৰকাৰৰ উন্নয়নৰ জীয়া ছবি। মন কৰিবলগীয়া যে বানে বিধ্বস্ত কৰা এই পথটো মেৰামতি কৰিবলৈ স্থানীয়

## ৰঙিয়াৰ ঐতিহাসিক আ...

কৰ্মকৰ্তাসকল উপস্থিত হৈ ঘটনাৰ বুজ লয় আৰু সমগ্ৰ পৰিস্থিতিৰ বাবে চৰকাৰ আৰু প্ৰশাসনক জগৰীয়া কৰে। এই সন্দৰ্ভত আজি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তৌফিকুৰ ৰহমানে এক বিজ্ঞপ্তি প্ৰকাশ কৰি কয় যে ৰাজ্য চৰকাৰে ইতিহাস প্ৰসিদ্ধ সমল তথা কীৰ্তিচিহ্নসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰিছে যদিও ইতিহাস প্ৰসিদ্ধ আৰিমত্ত গড় সংৰক্ষণৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাই। ইয়াৰ ফলত বেদখলকাৰীসকলে গড়ৰ মাটি কাটি তাৰে ঘৰৰ ভেটি পৰ্যন্ত নিৰ্মাণ কৰিছে। একাংশই আকৌ

ফেনত স্ব...
মেৰামতি...
ওপৰেৰে...
বৰজুলি,...
যোৱা ক...
থকাৰ প...
নোৱাৰে...
ৰোগীক...
ৰঙাপৰাৰ...
চিকিৎসা...
সমস্যাৰ...
ঢেকিয়াজ...
কোনো...
তোলে স্ব...
গড়ৰ ও...
গড়টোত...
কাহানি...
সম্প্ৰতি...
মাটি কা...
ইমানৰ...
পুৰাতত্ত্ব...
নাই।...
সংৰক্ষণ...
পথ ল'...
সকীয়া...